ক্ৰেডিট কাৰ্ড সম্বন্ধীয় গুৰুত্বপূৰ্ণ তথ্য

1) ক্ৰেডিট কাৰ্ড বিলৰ ধন আদায় : ক্ৰেডিট কাৰ্ড বিলৰ ধন চেক, ড্ৰাফ্‌ট বা নগদ ধনৰ জৰিয়তে ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্ক (এচচিবি)-ৰ এটিএম-ত বা শাখাসমূহত বা ইচিএচ (ইলেক্ট্ৰনিক ক্লিয়েৰি চাৰ্ভিচ)-ৰ যোগেদি ভৰিব পৰা যাব । আপোনাৰ চেক বা ড্ৰাফ্‌ট অনুগ্ৰহ কৰি এচচিবি একাউন্ট নং **XXXX XXXX XXXX XXXX** (আপোনাৰ 16 অঙ্কৰ এচচিবি কাৰ্ড নম্বৰ)-নামত প্ৰদেয় কৰি কাটিব । অনুগ্ৰহ কৰি সুনিশ্চিত কৰিব যাতে আপোনাৰ চেক / ড্ৰাফ্‌ট সৰ্বতো দিশতে সম্পূৰ্ণ হৈ ৰয় আৰু তাত যদি কিবা সাল-সলনি ঘটোৱা হৈছে সেয়া যেন যথাবিহিত চহী কৰি ৰখা হয় । আমি অনুৰোধ জনাইছো আপুনি যেন দেয় তাৰিখৰ অতি কমেও 3 দিনৰ আগতেই চেক কলেকশ্যন বক্সত আপোনাৰ চেক বা ড্ৰাফ্‌ট জমা দিয়ে । অৱশ্যে চেকত তাৰিখ আচল দেয় তাৰিখো দিব পৰা যাব । আপোনাৰ কাৰ্ড একাউন্টত সময়মতে ধন জমা সহজসাধ্য কৰি তোলাৰ বাবেই এনে কৰা হৈছে । কিন্তু দেয় তাৰিখ পৰ্যন্ত ধন আদায় প্ৰাপ্ত নকৰাৰ ক্ষেত্ৰত, বিলম্বিত ধন আদায় মাচুল ধাৰ্য কৰিবলৈ বেঙ্কে অধিকাৰ সুৰক্ষিত ৰাখিছে । দেয় তাৰিখ পাৰ হৈ যোৱা একাউন্টৰ ক্ষেত্ৰত, চেক ক্লিয়েৰ হোৱাৰ পাছতহে কেৱল ধন জমা দিয়া হব । 20,000 টকাৰ অধিক ধন আদায়ৰ বাবে, চেক ক্লিয়েৰ হোৱাৰ পাছতহে কেৱল সীমা প্ৰকাশ কৰা হব । নগদ ধন বেঙ্কৰ শাখাত কামৰ স্বাভাৱিক সময়ৰ ভিতৰত জমা দিব পৰা যাব । চেক কলেকশ্যন বক্সত অনুগ্ৰহ কৰি নগদ ধন জমা নিদিব ।

2) সুদ নিৰ্ধাৰণ : (অনুগ্ৰহ কৰি মন কৰিব যে মাহিলি ধন আদায় প্ৰথমে পুৰণা ধাৰ মৰাৰ বাবে ব্যৱহাৰ কৰা হব)

| বিকল্প | সুদ কেনেকৈ ধাৰ্য কৰা হব | |
|---|---|---|
| 1. যদিহে দেয় তাৰিখৰ আগতে প্ৰতি মাহতে অৱশিষ্ট মুঠ ধন সম্পূৰ্ণৰূপে আদায় দিয়া হয় । | কোনো সুদ লোৱা নহব | |
| 2. যদিহে দেয় তাৰিখৰ আগতে প্ৰতি মাহতে অৱশিষ্ট মুঠ ধন আংশিকভাবে আদায় দিয়া হয় । | লেনদেনৰ তাৰিখৰ পৰা বিৱৰণৰ তাৰিখলৈকে বৰ্তমানৰ বিৱৰণৰ সময়ছোৱাত কৰা সকলো লেনদেনৰ বাবে সুদ লোৱা হব ।<br>বৰ্তমানৰ বিৱৰণত পূৰ্ববৰ্তী বিৱৰণৰ তাৰিখৰ পাছত প্ৰথম দিনটোৰ পৰা ধন পৰিশোধ কৰা তাৰিখৰ আগৰ দিনটোলৈকে পূৰ্ববৰ্তী বিৱৰণত থকা সামৰণী উদ্বৃত্ত (ক্ল’জিং বেলেঞ্চ)-ত সুদ লোৱা হব । পৰিশোধৰ পাছত বাকী ৰোৱা ধনত পৰিশোধৰ তাৰিখৰ পৰা বিৱৰণৰ তাৰিখলৈকে সুদ লোৱা হব । | পূৰ্ববৰ্তী বিৱৰণৰ তাৰিখ : 1 আগষ্ট, বিৱৰণত উদ্বৃত্ত : 10,000/- টকা<br>ধন দেয় তাৰিখ : 18 আগষ্ট<br>15 আগষ্ট তাৰিখত কৰা লেনদেন : 3,000/- টকা<br>ধন পৰিশোধ : 8,000/- টকা 18 আগষ্টত প্ৰাপ্ত কৰা হৈছে ।<br>বৰ্তমানৰ বিৱৰণৰ তাৰিখ : 1 ছেপ্টেম্বৰ<br>এই ক্ষেত্ৰত, 10,000/- টকাৰ বাবে সুদ লোৱা হব 2 আগষ্টৰ পৰা 17 আগষ্টলৈ তথা নিদিয়াকৈ থকা বাকী 2,000/- টকাৰ বাবে সুদ লোৱা হব 18 আগষ্টৰ পৰা 1 ছেপ্টেম্বৰলৈ ।<br>3,000/- টকাৰ বাবে সুদ লোৱা হব 15 আগষ্টৰ পৰা 1 ছেপ্টেম্বৰলৈ । |
| 3.যদিহে সাধাৰণতে অংশিকভাবে ধন পৰিশোধ কৰা হয়, কিন্তু বৰ্তমান মাহত দেয় তাৰিখৰ আগতে অৱশিষ্ট মুঠ ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰি দিয়া হ’ল । | পূৰ্ববৰ্তী বিৱৰণ অনুযায়ী সামৰণী উদ্বৃত্তৰ ওপৰত ধন পৰিশোধ কৰা তাৰিখ পৰ্যন্ত সুদ লোৱা হব । | পূৰ্ববৰ্তী বিৱৰণৰ তাৰিখ :<br>1 আগষ্ট<br>সামৰণী উদ্বৃত্ত : 10,000/- টকা<br>বৰ্তমানৰ বিৱৰণৰ তাৰিখ:<br>1 ছেপ্টেম্বৰ<br>দেয় তাৰিখ : 18 আগষ্ট<br>ধন পৰিশোধ : 10,000/- টকা<br>15 আগষ্টত কৰা হৈছে ।<br>10,000/- টকাত সুদ লোৱা হব 2 আগষ্টৰ পৰা 14 আগষ্টলৈ (13 দিনৰ বাবে আগষ্টত, যি মাহত 31 দিন আছে) ^ |

* নগদ ধনৰ লেনদেন সামৰা হোৱা নাই ।          ^ এই ক্ষেত্ৰত ডেবিট কৰা সুদ হব / 10,000 x 3.1%x13/31=130.00 টকা

3) বাৰ্ষিকীকৃত শতাংশৰ হাৰ (এপিআৰ) : এই এপিআৰ প্ৰাপ্ত কৰিবলৈ মাহিলি সুদৰ হাৰক বাৰ্ষিকীকৃত কৰা হয় । নগদ ধন আৰু খুচুৰা লেনদেন দুয়োতে প্ৰযোজ্য প্ৰতি মাহে 3.1%-ৰ মাহিলি সুদৰ হাৰক বাৰ্ষিকীকৃত কৰি 37.20%-ৰ এপিআৰ প্ৰাপ্ত কৰা হয় । এই সুদৰ হাৰ পৰিবৰ্তনীয় আৰু খুচুৰা তথা নগদ লেদদেনৰ বাবে প্ৰতি মাহে 2.49% (এপিআৰ 29.88%)-ৰ পৰা 3.40% (এপিআৰ 40.80%)-ৰ মাজত ইয়াৰ পৰিবৰ্তন ঘটিব । আপোনাৰ ক্ষেত্ৰত প্ৰযোজ্য সুদৰ হাৰৰ যেতিয়া সংশোধন ঘটোৱা হব, সেই কথা আপোনাৰ বিৱৰণত উল্লেখ কৰি আপোনাক জনোৱা হব । এই বেঙ্কৰ একমাত্ৰ বিবেচনাধীনত, আপোনাৰ কাৰ্ডৰ ব্যৱহাৰ আৰু ধন পৰিশোধৰ আচৰণৰ ওপৰত নিৰ্ভৰ কৰি প্ৰত্যেক 3 মাহতে এপিআৰ নিৰ্ধাৰণ আৰু পুনৰবিচাৰ কৰা হব । যদিহে সম্পূৰ্ণৰূপে ধন পৰিশোধ কৰা নহয়, যদিহে আনকি দেয় তাৰিখত ন্যূনতম দেয় পৰিমাণ (এমএডি) আদায় দিয়া হয়ও, সম্পূৰ্ণ দেয় পৰিমাণ (টিএডি)-ৰ ওপৰত সুদ লোৱা হব । ইএমআই কাৰ্ডৰ ক্ষেত্ৰত, 2%-ৰ মাহিলি সুদৰ হাৰক বাৰ্ষিকীকৃত কৰি 24%-ৰ এপিআৰ প্ৰাপ্ত কৰা হয় । এই হাৰ কেৱল 2,000 টকাৰ অধিক লেনদেনৰ ওপৰত প্ৰযোজ্য ।

4) ন্যূনতম দেয় পৰিমাণ (এমএডি) : প্ৰতি মাহতে ন্যূনতম দেয় পৰিমাণ হ'ল বিল কৰা মূল্যৰ 5%, যদিহে ধন পৰিশোধৰ ক্ষেত্ৰত কোনো গাফিলতি নাই । যদিহে গাফিলতি আছে, তেন্তে বাকী ৰোৱা সম্পূৰ্ণ পৰিমাণ আদায় দিব লাগিব । ইএমআই কাৰ্ডৰ ক্ষেত্ৰত বা কাৰ্ড একাউন্টত ঋণ থকাৰ ক্ষেত্ৰত, ঋণৰ ইএমআইও তাত যোগ দিয়া হব । তদুপৰি কাৰ্ড একাউন্টৰ সীমাৰ ওপৰত কাৰ্ড ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত, ন্যূনতম দেয় পৰিমাণ হব ওপৰত উল্লেখিত পৰিমাণ আৰু সীমাৰ ওপৰৰ পৰিমাণৰ যোগফল । আপুনি যদি 5,000 টকা খৰচ কৰে আৰু প্ৰতি মাহতে ঠিক ন্যূনতম দেয় পৰিমাণ আদায় দিয়ে (100 টকাৰ ন্যূনতম পৰিশোধ সাপেক্ষে), তেন্তে সম্পূৰ্ণ পৰিমাণ ঘূৰাই দিবলৈ আপোনাক 6 বছৰ পৰ্যন্ত সময় লাগিব । সেয়ে আমাৰ এয়ে পৰামৰ্শ যেতিয়াই আপোনাৰ হাতত ধন থাকে, তেতিয়াই যেন আপোনাৰ ন্যূনতম দেয় পৰিমাণতকৈ যথেষ্ট বেছিকৈ ধন ঘূৰাই দিয়ে ।

● ক্ৰেডিট কাৰ্ডসমূহ হ'ল কম দিনীয়া ঋণ বা দৈনিক খৰচৰ প্ৰয়োজনীয়তা পূৰোৱা প্ৰকাৰৰ ঋণ প্ৰক্ৰিয়া । আপোনাৰ যদিহে দীৰ্ঘ দিনীয়াকৈ পুঁজিৰ প্ৰয়োজন, তেন্তে তাৰবাবে আমাৰ বিস্তৃত শ্ৰেণীৰ যোজনা আছে । বিতংকৈ জানিবলৈ আমাৰ হেল্পলাইনলৈ ফোন কৰক ।

5) সুদ-মুক্ত সৰ্বাধিক কাল : সকলো গ'ল্ড আৰু নন-গ'ল্ড কাৰ্ডৰ বাবে এচচিবি কাৰ্ডত দেয় তাৰিখ হ'ল বিৱৰণৰ তাৰিখৰ পৰা 18 নং দিনটো (18 নং দিনটো দেওবাৰ পৰিলে 17 নং দিনটো) । এইদৰেই 17-47 দিনৰ কালছোৱা হ'ল সুদ মুক্ত ক্ৰেডিট কাল । কিন্তু নগদ আগধন লোৱাৰ ক্ষেত্ৰত, লেনদেনৰ তাৰিখৰ পৰাই সুদ লোৱা হব । আগতীয়াকৈ জাননী দি এই সুদ-মুক্ত কালছোৱা সলনি কৰিবলৈ বেঙ্কে অধিকাৰ সুৰক্ষিত ৰাখিছে ।

6) বিলিং বিবাদ সমাধান : বিৱৰণ প্ৰাপ্ত কৰা তাৰিখৰ পৰা 21 দিনৰ ভিতৰতে বিলিঙৰ কোনো বিবাদ বা প্ৰতিবাদ বেঙ্কক জানিবলৈ দিব লাগিব। প্ৰয়োজনীয় নথিপত্ৰৰ লগতে গ্ৰাহকে বিবাদ ঘোষণা প্ৰপত্ৰ বা এখন স্বাক্ষৰিত পত্ৰ দিয়াটো বাধ্যতামূলক । সমাধানৰ পদ্ধতি প্ৰতিটো ক্ষেত্ৰ অনুযায়ী ভিন্ন ভিন্ন হব । বিবাদ গ্ৰহণৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ তথা পদ্ধতি সম্বন্ধে ততালিকে অধিক অধিক জানিবলৈ অনুগ্ৰহ কৰি বেঙ্ক কাৰ্ডৰ হেল্পলাইন চেন্টাৰৰ সৈতে যোগাযোগ কৰক অথবা বেঙ্কৰ ৱেবচাইট www.standardchartered.co.in ভিজিট কৰক ।

7. এড-অন কাৰ্ড : কোনো এটা একাউন্টত এখনতকৈ অধিক কাৰ্ড জাৰি কৰাৰ ক্ষেত্ৰত, সেই একাউন্টত থকা কোনো অতিৰিক্ত কাৰ্ডৰ ধাৰক তথা সেই কাৰ্ড জাৰি কৰিবলৈ অনুমোদন জনোৱা মূল একাউন্ট ধাৰক এই দুয়োজনে নিয়ম আৰু বিনিয়মসমূহ যুটীয়াভাবে আৰু পৃথকভাবে মানি চলিবলৈ বাধ্য থাকিব তথা কাৰ্ড ব্যৱহাৰ কৰি কৰা সকলো খৰচৰ বাবে যুটীয়াভাবে আৰু পৃথকভাবে দায়ী হৈ ৰব ।

8) হেৰুওৱা বা চুৰি হোৱা কাৰ্ডৰ ততালিকে অভিযোগ জ্ঞাপন : যদিহে কাৰ্ডখন ভাৰতৰ ভিতৰত হেৰায় বা চুৰি হয়, কাৰ্ডৰ ধাৰকজনে সমীপস্থ কাষ্টমাৰ চাৰ্ভিচ হেল্পলাইনত লগে লগে খবৰ দিয়া উচিত । যদিহে বিদেশত ভ্ৰমণ কৰাৰ সময়ত কাৰ্ডখন হেৰায়, তেন্তে কাৰ্ডৰ ধাৰকে বেঙ্কৰ হেল্পলাইনক বা মাষ্টাৰকাৰ্ড / ভিজা হেল্পলাইনক জনোৱা উচিত । সম্পূৰ্ণকৈ জানিবলৈ অনুগ্ৰহ কৰি কাৰ্ডমেম্বাৰ সম্বন্ধীয় নিয়ম আৰু বিনিয়মসমূহ চাওক ।

9) হেৰুওৱা কাৰ্ডৰ দায়িত্ব : ভাৰতত বেঙ্কৰ কাৰ্ড চাৰ্ভিচ চেন্টাৰক অথবা বিদেশত ভিজা / মাষ্টাৰকাৰ্ড গ্ল'বেল ইমাৰজেন্সি এচিচটেন্স হেল্পলাইনক কাৰ্ডখন হেৰুওৱাৰ কথা নজনোৱা পৰ্যন্ত কাৰ্ডখনৰ দ্বাৰা কৰা খৰচৰ বাবে কাৰ্ডমেম্বাৰ দায়ী হৈ ৰব ।

কাৰ্ডমেম্বাৰে ঘোষণা কৰিব লাগিব যে যদিহে কাৰ্ডখন হেৰাইছে, চুৰি হৈছে বা নষ্ট হৈছে বুলি ঘোষণা কৰাৰ পাছত ইয়াক পোৱা যায়, তেন্তে বেঙ্কক জনাই কাৰ্ডখন নষ্ট কৰি ইয়াক ৰদ কৰাৰ বাবে একমাত্ৰ কাৰ্ডমেম্বাৰজন দায়ী হ'ব।

10) বিৰৰণ জাৰিকৰণ : 100/- টকাৰ অধিক বেলেঞ্চ অৰ্থাৎ বাকী ধন থকা একাউন্টৰ বাবে প্ৰতি মাহতে এবাৰ বিৰৰণ জাৰি কৰা হব । 100/- টকাতকৈ কম বাকী ধন থকা একাউন্টৰ বাবে, বিৰৰণ তেতিয়া জাৰি কৰা হব যেতিয়া একাউন্টত এটা নতুন লেনদেনো থাকিব । তদুপৰি, কাৰ্ডমেম্বাৰৰ একাউন্টত কোনো জমা বাকী থকাৰ ক্ষেত্ৰত, তেওঁলৈ এখন বিৰৰণ জাৰি কৰা হব যদিহে তেওঁৰ জমা বাকী 250 টকাতকৈ অধিক হয় ।

11) কাৰ্ডৰ নিয়ম আৰু বিনিয়মত সংশোধন : কাৰ্ডৰ নিয়ম আৰু বিনিয়মৰ নিয়ম 18 (খ) তলত দিয়াৰ দৰে সংশোধন কৰা হৈছে : ''18 (খ) : কাৰ্ডৰ বিলিং বিৰৰণ সমন্বিতে কাৰ্ডমেম্বাৰলৈ বেঙ্কে পঠিওৱা সকলো দস্তাবেজ / চিঠিপত্ৰ পৰ্যাপ্তৰূপত তেওঁক প্ৰদান কৰা হৈছে বুলি ধৰা হব যদিহে কাৰ্ডমেম্বাৰে শেষতীয়াকৈ ৰেজিষ্টাৰ কৰা তেওঁৰ ভাৰতীয় ঠিকনাত, বিৰৰণৰ ওলোটা পিঠিত ছপা কৰি সূচিত কৰা হয় আৰু ব্যক্তিগত কুৰিয়াৰযোগে বা সাধাৰণ ডাকযোগে বিলি কৰা হয় তথা এই বিৰৰণ বা জাননী ডাকত জমা দিয়াৰ বা কুৰিয়াৰ এজেঞ্চিক অৰ্পণ কৰাৰ 4ৰ্থ দিনটোৰ সমাপ্তিত এনে সেৱা কাৰ্যকৰী কৰা হ'ল বুলি ধৰি লোৱা হব ।

কাৰ্ডমেম্বাৰে ভাৰতৰ বাহিৰৰ ঠিকনা ৰেজিষ্টাৰ কৰাৰ ক্ষেত্ৰত, কাৰ্ডমেম্বাৰ সন্মত হব লাগিব যে তেওঁলৈ কাৰ্ডৰ বিৰৰণ পঠিয়াবলৈ বেঙ্ক কোনো বাধ্যবাধকতাৰ অধীন নহব তথা কাৰ্ডমেম্বাৰৰ কাৰ্ডত দিবলগীয়া হৈ থকা পৰিমাণ জানি লোৱাটো আৰু সংশ্লিষ্ট দেয় তাৰিখৰ আগত তাক আদায় দিয়াটো কাৰ্ডমেম্বাৰৰ দায়িত্ব হব ।'' তদুপৰি বিৰৰণ ই-মেইলৰ জৰিয়তেও পঠিওৱা হব (যদিহে কাৰ্ডমেম্বাৰে ইয়াৰ বাবে ৰেজিষ্টাৰ কৰি থয়) ।

12) সমাপ্তি : বেঙ্কৰ কাৰ্ড চাৰ্ভিচ চেন্টাৰক বা বেঙ্কক টেলিফোন যোগে বা লিখিতভাবে জনাই একাউন্ট ধাৰকে যিকোনো সময়তে কাৰ্ড একাউন্টৰ সমাপ্তি ঘটাব পাৰিব । এনে জাননী কাৰ্যকৰী হব, যেতিয়া কাৰ্ডত দিবলগীয়া হৈ থকা সকলো মাচুল আদায় দিয়াৰ পাছত আৰু বেঙ্কৰ কাৰ্ড চাৰ্ভিচ চেন্টাৰক বা বেঙ্কক জানিবলৈ দি কাৰ্ডমেম্বাৰে কাৰ্ডখন নষ্ট কৰি পেলাব তেতিয়া ।

13) ঋণ সীমা : বেঙ্কৰ বিবেচনাধীনত ঋণ সীমা নিৰ্ণয় কৰা হব । মুঠ ঋণ সীমাৰ পৰা ইতিমধ্যে ব্যৱহৃত সীমা হ্ৰাস কৰি প্ৰাপ্ত ঋণ সীমাৰ হিচাপ উলিওৱা হব । কাৰ্ডৰ ঋণ সীমাৰ ভিতৰত কাৰ্ডমেম্বাৰে কোনো ঋণ লোৱাৰ ক্ষেত্ৰত, প্ৰাপ্ত ঋণ সীমা গণনা কৰিবলৈ বাকী ৰোৱা ঋণৰ পৰিমাণো মুঠ ঋণ সীমাৰ পৰা হ্ৰাস কৰা হব । কিছুমান চৰ্তৰ ওপৰত নিৰ্ভৰ কৰি বেঙ্কৰ একমাত্ৰ বিবেচনাধীনত আপোনাৰ ঋণ সীমা হ্ৰাস কৰিবলৈ বেঙ্কে অধিকাৰ সুৰক্ষিত ৰাখিছে । এনে চৰ্ত কিছুমান হ'ল নগদ ধনৰ ব্যৱহাৰ, কাৰ্ড আৰম্ভ কৰাৰ 90 দিনৰ ভিতৰত অলঙ্কাৰ ক্ৰয়, ধন পৰিশোধৰ অনিয়মিত ধৰণ আৰু সীমালৈকে অত্যধিক ব্যৱহাৰ ইত্যাদি । যেতিয়া প্ৰযোজ্য হব ঋণ সীমা হ্ৰাস কৰাৰ কথা বেঙ্কে জনাই দিব ।

14) নগদ আগধনৰ সীমা : নগদ আগধনৰ সীমা ঋণ সীমাৰ কোনো নিৰ্ধাৰিত শতাংশ নহয়, কিন্তু ইয়াক মাহিলি মূল্যাঙ্কন আৰু পুনৰ নিৰ্ধাৰণ কৰা হয় । ততোধিক জানিবলৈ আৰু ইয়াৰ মাচুল জনাৰ বাবে, অনুগ্ৰহ কৰি কাৰ্ড চাৰ্ভিচ হেল্পলাইন নম্বৰৰ সৈতে যোগাযোগ কৰক ।

15) তথ্য প্ৰদান : কাৰ্ড ধাৰক চুক্তিৰ নিয়ম আৰু বিনিয়ম অনুযায়ী, ভাৰতত বা বিদেশত স্থিত ইয়াৰ গ্ৰুপ কোম্পানীক বা ভেণ্ডৰক কাৰ্ড মেম্বাৰৰ একাউন্টৰ বিষয়ে সকলো তথ্য দিবলৈ ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্ক প্ৰাধিকৃত হৈ আছে । লগতে ক্ৰেডিট ইনফৰ্মেশ্যন ব্যুৰো (ইণ্ডিয়া) লিঃ (চিবিল)-ক অথবা বেঙ্কৰ একমাত্ৰ বিবেচনাধীনত ই আৱশ্যক বুলি ভবা আন যিকোনো এজেঞ্চিক কাৰ্ডমেম্বাৰৰ বিষয়ে তথ্য, কাৰ্ড ধাৰকে লৈ থকা / লবলগীয়া ক্ৰেডিট সুবিধা আৰু গ্ৰহণ কৰা / গ্ৰহণ কৰিবলগীয়া দায়িত্ব তথা এনে দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত কাৰ্ড ধাৰকে কৰা কোনো ত্ৰুটি ইত্যাদি বিতং বিৰৰণ ব্যক্ত কৰিবলৈ এই বেঙ্ক প্ৰাধিকৃত হৈ আছে । তদুপৰি ক্ৰেডিট ইনফৰ্মেশ্যন কোম্পানীজ(ৰেগুলেশ্যন) এক্ট 2005 অনুযায়ী, আইনৰ অধীনৰ কোনো কৰ্তৃপক্ষৰ পৰা কোনো তথ্যৰ বাবে প্ৰাপ্ত কৰা যিকোনো অনুৰোধ আৰু দাবী ৰক্ষা কৰিবলৈ, কাৰ্ডমেম্বাৰক নোসোধাকৈ তাক দিবলৈ, এই বেঙ্ক প্ৰাধিকৃত হৈ আছে । সেৱা / কিছুমান সেৱা প্ৰদান কৰাৰ উদ্দেশ্যে আৰু প্ৰদান কৰা সময়ত, বিশেষজ্ঞৰ সেৱা আৰু আন সেৱা প্ৰদানকৰ্তা / এজেন্টৰ সেৱা কামত খটুৱাবলৈ বেঙ্কৰ প্ৰয়োজন পৰে / পৰিব পাৰে । এই কথা ইয়াৰ দ্বাৰাই সাৱস্ত্যকৰণ আৰু চুক্তি হিচাপে লোৱা হৈছে যে আপোনাৰ একাউন্ট সম্বন্ধে কোনো তথ্য এই সেৱা প্ৰদানকৰ্তা / এজেন্টকে বেঙ্কে দিবলগীয়া হব পাৰে / দিবলগীয়া হব ।

16) ধন অনাদায় সম্বন্ধীয় তথ্য আৰু পৰিস্থিতি

ক) 150 দিনৰ বাবে ন্যূনতম দেয় পৰিমাণ আদায় নিদিয়াৰ ক্ষেত্ৰত, কাৰ্ড ধাৰকজনক বাকীদাৰ ৰূপে বৰ্গীকৃত কৰা হব । অনুগ্ৰহ কৰি মন কৰিব যে ধন আদায় সম্বন্ধীয় তথ্য ক্ৰেডিট ইনফৰ্মেশ্যন ব্যুৰো (ইণ্ডিয়া) লিঃ (চিবিল)-ক মাহিলি ভিত্তিত দিয়া হয়, সেয়ে আনকি এমাহৰ বাবে ধন আদায় দিবলৈ থাকি গলেও সেয়া চিবিল-ক দিয়া ডেটাত প্ৰকাশ পায় । 150 দিনৰ বাবে ন্যূনতম দেয় পৰিমাণ আদায় নিদিয়াৰ ক্ষেত্ৰত সত্যমৰ দ্বাৰা সংৰক্ষিত বাকীদাৰৰ ডেটাবেছক কাৰ্ড ধাৰকৰ ধন নিদিয়াৰ তথ্য দিয়া হব ।

খ) মাচুল আপোচ-সীমাংসাৰ পাছত বাকীদাৰৰ বৰ্গীকৰণৰ প্ৰত্যাহাৰ : মুঠ বাকী ধন পৰিশোধ কৰা সাপেক্ষে তথা অনুৰোধ জনালে, বাকীদাৰৰ তালিকা / ডেটাবেছৰ পৰা নাম এমাহৰ ভিতৰতে বেঙ্কে আঁতৰাই দিব । কিন্তু চিবিল-ক দিয়া তথ্যত গ্ৰাহকৰ ক্ৰেডিট / ধন পৰিশোধ ইতিবৃত্ত প্ৰকাশ পাব আৰু সেয়া বেঙ্কৰ দ্বাৰা প্ৰত্যাহাৰ কৰিব পৰা নাযাব ।

গ) ধন অপ্ৰাপ্তিৰ ক্ষেত্ৰত পুনঃপ্ৰাপ্তি পদ্ধতি : চিঠিপত্ৰ, টেলিফোন, এচএমএচ, ই-মেইল আৰু আন যিকোনো যোগাযোগ মাধ্যম তথা প্ৰয়োজন পৰিলে ব্যক্তিগত মিটিঙৰ জৰিয়তে অহৰহ স্মৰণ কৰোৱা হব ।

ঘ) কাৰ্ড ধাৰকৰ মৃত্যু / স্থায়ী বিকলাঙ্গতাৰ ক্ষেত্ৰত মাচুলৰ পুনঃপ্ৰাপ্তি : কাৰ্ড ধাৰকৰ মৃত্যু সাৱস্ত্যকৰণৰ পাছত, হিচাপবহীৰ পৰা একাউন্টৰ সমাপ্তি ঘটোৱা হব আৰু কাৰ্ডৰ বাকীধন অপ্ৰাপ্ত ধাৰৰূপে এৰি দিয়া হব । যদিহে মৃত কাৰ্ড ধাৰকৰ ভূসম্পত্তি অধিকাৰীজন আগ্ৰহান্বিত হয়, তেন্তে মাচুলৰ নিষ্পত্তিকৰণৰ বাবে বেঙ্কে পাৰস্পৰিক চুক্তি কৰিব । কাৰ্ড ধাৰকৰ স্থায়ী বিকলাঙ্গ অৱস্থাৰ ক্ষেত্ৰত, কাৰ্ডমেম্বাৰৰ নিৰ্ধাৰিত নিয়ম আৰু বিনিয়ম প্ৰযোজ্য হব ।

17) অভিযোগ বৃদ্ধি : আপুনি প্ৰাপ্ত কৰা উত্তৰত আপুনি যদি সন্তুষ্ট নহয়, তেন্তে আপুনি অনুগ্ৰহ কৰি ইয়ালৈ লিখক : চিডিকে সাই নাৰায়ণ, হেড চাৰ্ভিচ, ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্ক, কাষ্টমাৰ কেয়াৰ ইউনিট, 19 ৰাজাজী চালাই, চেন্নাই 600 001, ফোন : + 91 99002 60046, বা ই-মেইল : head.service@in.standardchartered.com

18) ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক আৰু এই বেঙ্কৰ ''ন' ইয়'ৰ কাষ্টমাৰ'' (আপোনাৰ গ্ৰাহকক জানক)-ৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সময়ে সময়ে বেঙ্কক লাগিব পৰা কোনো নথিপত্ৰ প্ৰদান কৰিবলৈ আপুনি সন্মত হব লাগিব । এই সুবিধা ৰদ কৰিবলৈ, সুৰক্ষা আৰু গেৰান্টী প্ৰবৰ্তন কৰিবলৈ, অপ্ৰাপ্ত ধনৰ বাবে আয় প্ৰাপ্তি লৈ লবলৈ আৰু আপোনাৰ পৰা বাকী ধন পুনঃপ্ৰাপ্ত কৰিবলৈ অথবা আপুনি বেঙ্কক প্ৰয়োজনীয় নথিপত্ৰ নিদিয়াৰ ক্ষেত্ৰত একাউন্ট বন্ধ কৰি দিবলৈ বেঙ্কে অধিকাৰ সুৰক্ষিত ৰাখিছে ।

19) ইয়াত এনেকৈ লিখা সত্বেও, কাৰ্ডৰ সুবিধা কেৱল বেঙ্কৰ একমাত্ৰ বিবেচনাধীনত পোৱা যাব তথা সেয়ে বেঙ্কৰ দ্বাৰা নাকচকৰণৰ অধীন হব আৰু / বা বেঙ্কে দাবী জনালে যিকোনো সময়তে আগতীয়াকৈ ধন প্ৰদেয় হব, যিক্ষেএত গ্ৰাহকে সেয়া লগে লগে পৰিশোধ কৰিব লাগিব ।

20) 10 আঞ্চলিক ভাষাৰ যিকোনো এটাতে কাৰ্ডমেম্বাৰৰ নিয়ম আৰু বিনিয়মসমূহ পঢ়িবৰ বাবে অনুগ্ৰহ কৰি ভিজিট কৰক http://standardchartered.com/in/cb/creditcard/card_main.html
জুন 2006-ৰ পৰা কাৰ্যকৰী মাচুলসমূহ :

বিলম্ব ফিজ: বিলম্ব মাচুলৰ উপৰিও 100/- টকাৰ বিলম্ব ফিজ ডেবিট কৰা হব যদিহে একেৰাহে দুই বা ততোধিক মাহৰ বাবে ন্যূনতম দেয় পৰিমাণ প্ৰাপ্ত কৰা নহয় ।

● অধিশুল্ক : ৰেলৱেৰ লেনদেনত 25/- টকা বা লেনদেনৰ 2.5% (যিটোৱেই বেছি হয়) । পেট্ৰ'লৰ লেনদেনত 10/- বা লেনদেনৰ 2.5% (যিটোৱেই বেছি হয়) ।

● সীমা অধিক শুল্ক : প্ৰতি বাৰতে সীমা অধিক শুল্ক হব 500/ টকা

● প্ৰতিলিপি বিৱৰণ মাচুল : প্ৰতি বিৱৰণতে 25/- টকা (যদিহে সেইখন 3 মাহতকৈ বেছি পুৰণা) ।

● কাৰ্ড বদলিকৰণ মাচুল : প্ৰতিবাৰ বদলি কৰোতে 100 টকা

● পিন বদলিকৰণ : প্ৰতিবাৰ বদলি কৰোতে 100 টকা

● আন ঠাইলৈ টেলিড্ৰাফ্টৰ মাচুল : প্ৰতি বাৰতে 100 টকা

● টেলিড্ৰাফ্‌ট ৰদকৰণ মাচুল : প্ৰতি বাৰতে 50 টকা

● ৰিটাৰ্ন চেক ফিজ: প্ৰতি বাৰতে 300 টকা

● বিদেশী মুদ্ৰাৰ লেনদেন : সমস্ত অভাৰতীয় মুদ্ৰাৰ লেদদেনসমূহ ফ্ৰেঞ্চাইছী (ভিজা / মাষ্টাৰ)-এ জনোৱা হাৰত ভাৰতীয় টকালৈ ৰূপান্তৰ কৰা হব ।

লেনদেনত উপৰঞ্চি 2.5% আৰু ফেঞ্চাইছীক পৰিশোধ কৰাৰ বাবে অতিৰিক্ত 1% বেঙ্কে মাচুল লব ।

● শাখা লেনদেন ফিজ: টেলাৰ সুবিধা ব্যৱহাৰ কৰি এচচিবি শাখাসমূহত নগদ ধন পৰিশোধ কৰিলে প্ৰতি বাৰেই 99/- টকা মাচুল লোৱা হব ।

● সেৱা কৰ : সেৱা শুল্কত সেৱা কৰ হ'ল 12.36% । ''ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড, চাৰ্জ কাৰ্ড ৱা আন পে'মেণ্ট কাৰ্ড সেৱা''-ৰ অধীনত সেৱা কৰ পঞ্জীয়ন নং ST/Mumbai/CDCOS/Dn 1/13/2006 পঞ্জীকৃত কাৰ্যালয় : ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্ক, 23-25, এম জি ৰোড, ফোৰ্ট, মুম্বাই - 400 001 । মাফ কৰা বা ৰদ কৰা শুল্কৰ ক্ষেত্ৰত চেনভেট (CENVAT) ক্ৰেডিট নিয়ম, 2004-ৰ অধীনত গ্ৰাহকে কোনো সেৱা কৰ ক্ৰেডিটৰ বাবে দাবী জনাব নোৱাৰিব ।

18 জুন 2007-ৰ পৰা কাৰ্যকৰী মাচুলসমূহ :

● বিলম্ব ধন আদায় শুল্ক : বিৱৰণত 10,000 টকাতকৈ কম বাকী ধনৰ বাবে 350 টকা,বিৱৰণত 10,000 টকাৰ পৰা 20,000 টকাৰ মাজৰ বাকী ধনৰ বাবে 500 টকা ● বিৱৰণত 20,000 টকাতকৈ অধিক বাকী ধনৰ বাবে 600 টকা ।

উদাহৰণ : ধৰক আপোনাৰ ক্ৰেডিট কাৰ্ড একাউন্টত বাকী আছে 7,000 টকা আৰু আপোনাৰ বেলেঞ্চ ট্ৰেঞ্চফাৰ একাউন্টত বাকী আছে 15,000 টকা আৰু দেয় তাৰিখলৈকে ধন পৰিশোধ কৰা হোৱা নাই । বিলম্ব ধন আদায় শুল্ক আপোনাৰ ক্ৰেডিট কাৰ্ড একাউন্টত হব 350 টকা আৰু বেলেঞ্চ ট্ৰেঞ্চফাৰ একাউন্টত হব 500 টকা । এই উদাহৰণ কেৱল বুজোৱাৰ উদ্দেশ্যেহে দিয়া হৈছে । সকলো কাৰ্ড আৰু সকলো কিস্তি যোজনা সম্ভাৰ, যেনে ইন্‌স্টাবাই, বেলেঞ্চ ট্ৰেঞ্চফাৰ, ডায়েল-এ-লোন ইত্যাদি প্ৰত্যেকতেই বিলম্ব ধন আদায় শুল্ক লোৱা হব যদিহে দেয় তাৰিখ পৰ্যন্ত ধন আদায় দিয়া নহয় ।

● নগদ আগধন মাচুল : এটিএম-ত উলিওৱা : নগদ উলিওৱা পৰিমাণৰ 3%, ন্যূনতম 300 টকা সাপেক্ষে ● আমাৰ শাখা সমূহত টেলাৰ সুবিধা ব্যৱহাৰ কৰি ধন উলিওৱাৰ ক্ষেত্ৰত, 500 টকাৰ অতিৰিক্ত ফিজ লোৱা হব ।

15 ছেপ্টেম্বৰ 2007-ৰ পৰা কাৰ্যকৰী মাচুলসমূহ :

● অব্যৱহৃত ফিজ: আগৰ 12 মাহ ধৰি খুচুৰা বা নগদ লেনদেনৰ বাবে কাৰ্ডখন যদি ব্যৱহাৰ কৰা নহয়,তেন্তে 250/- টকা মাচুল লোৱা হব ।

টোকা : অনুগ্ৰহ কৰি সুনিশ্চিত কৰিব যাতে আপোনাৰ চেক / ড্ৰাফ্‌ট সৰ্বতো দিশতে সম্পূৰ্ণ হৈ ৰয় আৰু তাত যদি কিবা সাল-সলনি ঘটোৱা হৈছে সেয়া যেন যথাবিহিত চহী কৰি ৰখা হয় । আমি অনুৰোধ জানাইছো আপুনি যেন দেয় তাৰিখৰ অতি কমেও 3 দিনৰ আগতেই চেক কলেকশ্যন বক্সত আপোনাৰ চেক বা ড্ৰাফ্‌ট জমা দিয়ে । অৱশ্যে চেকত তাৰিখ আচল দেয় তাৰিখো দিব পৰা যাব । নগদ ধন বেঙ্কৰ শাখাত কামৰ স্বাভাৱিক সময়ৰ ভিতৰত জমা দিব পৰা যাব । চেক কলেকশ্যন বক্সত অনুগ্ৰহ কৰি নগদ ধন জমা নিদিব ।